# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-06-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

১। লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সম্পন্ন। দেশত ৫৮ দশমিক ৩-৪ শতাংশ ভোটদাতাৰ ভোটদান।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ ঠাকুৰ, ৰবিশংকৰ প্ৰসাদ, অভিনেত্ৰী কংগনা ৰাণাৱট, তৃণমূল কংগ্ৰেছৰ নেতা অভিষেক বেনাৰ্জী, পঞ্জাবৰ পূৰ্বৰ মুখ্যমন্ত্ৰী তথা কংগ্ৰেছ নেতা চৰণজিৎ সিঙকে ধৰি কেইবাগৰাকীও শীৰ্ষ নেতাৰ ৰাজনৈতিক ভাগ্য ই ভি এমত বন্দী।

৩। কেইবাটাও সংবাদ গোষ্ঠীৰ প্ৰাৰম্ভিক নিৰ্বাচনী সমীক্ষা অনুসৰি দেশত এন ডি এ পুনৰবাৰ শাসনলৈ অহাৰ সম্ভাৱনা।

৪। অহা ৪ জুনত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে ৰাজ্যৰ জিলা প্ৰশাসনসমূহৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ।

৫। ৰাজ্যৰ বান পৰিস্থিতি কিছু উন্নত। ক্ষতিগ্ৰস্ত অঞ্চলত সাহায্য আৰু উদ্ধাৰৰ বাবে প্ৰশাসনৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ।

**আৰু**

৬। নিউয়ৰ্কত অনুষ্ঠিত টি-২০ বিশ্বকাপ প্ৰতিযোগিতাৰ প্ৰস্তুতি খেলত ভাৰত আজি বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সম্পন্ন হৈছে। শেহতীয়া তথ্য অনুসৰি দেশত ৫৮ দশমিক ৩-৪ শতাংশ ভোটদান সম্পন্ন হৈছে। এই পৰ্যায়ত দেশৰ ৭খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ৫৭টা সমষ্টি সামৰি লোৱা হৈছে। এই পৰ্যায়ত উত্তৰ প্ৰদেশ আৰু পঞ্জাৱৰ ১৩ খনকৈ, পশ্চিমবংগৰ ৯ খন, বিহাৰৰ ৮ খন, ওড়িশাৰ ৬ খন, হিমাচল প্ৰদেশৰ ৪ খন, ঝাৰখণ্ডৰ ৩খন আৰু চণ্ডীগড়ৰ এখন সংসদীয় আসনৰ বাবে প্ৰতিদ্বন্দ্বিতা হৈছে। অন্তিম পৰ্যায়ত ১০ কোটি ৬০ লাখৰো অধিক ভোটদাতাই ৯০৪ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। ইয়াৰে ভিতৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ ঠাকুৰ, ৰবিশংকৰ প্ৰসাদ, অভিনেত্ৰী কংগনা ৰাণাৱট, তৃণমূল কংগ্ৰেছৰ নেতা অভিষেক বেনাৰ্জী, পঞ্জাবৰ পূৰ্বৰ মুখ্যমন্ত্ৰী তথা কংগ্ৰেছ নেতা চৰণজিৎ সিং চান্নী, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী হৰছিমৰাৎ কৌৰ বাদল, আৰ. জে. ডিৰ মুৰব্বী লালুপ্ৰসাদ যাদৱৰ কন্যা মিছা ভাৰতী, কংগ্ৰেছ নেতা মণীষ তিৱাৰী, বিক্ৰমাদিত্য সিং অন্যতম। আয়োগে

ভোটগ্ৰহণ সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে ১০ লাখ ৯০ হাজাৰৰো অধিক নিৰ্বাচনী বিষয়া নিয়োগ কৰা হৈছে।

নিৰ্বাচন আয়োগে প্ৰকাশ কৰা শেহতীয়া তথ্য অনুসৰি বিহাৰত ৪৮ দশমিক ৮-৬ শতাংশ, চণ্ডিগড়ত ৬২ দশমিক ৮-০ শতাংশ, হিমাচল প্ৰদেশত ৬৬ দশমিক ৫-৬ শতাংশ, ঝাৰখণ্ডত ৬৭ দশমিক ৯-৫ শতাংশ, ওড়িশাত ৬২ দশমিক ৪-৬ শতাংশ, পঞ্জাবত ৫৫ দশমিক ২-০ শতাংশ, উত্তৰ প্ৰদেশত ৫৪ শতাংশ আৰু পশ্চিমবংগত ৬৯ দশমিক ৮-৯ শতাংশ ভোটদান সম্পন্ন হৈছে।

আনহাতে ওড়িশা বিধানসভাৰ ৪২টা বিধানসভা সমষ্টিতো ভোটগ্ৰহণ সম্পন্ন হৈছে। চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণত ৬২ দশমিক ৪-৬ শতাংশ ভোটাৰে নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে।

ooooo

আজি লোকসভা নিৰ্বাচনৰ সামৰণিৰ লগে লগে বিভিন্ন সংবাদ মাধ্যমে নিৰ্বাচনী সমীক্ষা প্ৰকাশ কৰিছে। প্ৰাৰম্ভিক তথ্য অনুসৰি টাইমছ্ নাও নামৰ সংবাদ প্ৰতিষ্ঠানটোৱে কেৰালাৰ কংগ্ৰেছ মিত্ৰজোটে ১৪ খন, বাওপন্থী মিত্ৰজোটে ৪খন আৰু বিজেপিয়ে এখন আসন লাভ কৰিব বুলি প্ৰকাশ কৰিছে। চি এন এন নিউজৰ তথ্য অনুসৰি তামিলনাডুৰ আই এন ডি এ গোটে ৩৬ ৰ পৰা ৩৯ খন আৰু বিজেপি মিত্ৰজোটে দুখন আসন লাভ কৰিব বুলি তথ্য প্ৰকাশ কৰিছে। ৰিপাবলিক টিভি আৰু পি এম এ আৰ কিউৰ মতে এন ডি এ মিত্ৰজোটে ৩৫৯ আসন লাভ কৰি পুনৰ ক্ষমতা দখল কৰাৰ বিপৰীতে কংগ্ৰেছ মিত্ৰজোটে ১৫৪ খন আসন লাভ কৰিব। মেটৰিজ নামৰ প্ৰতিষ্ঠানটোৰ সমীক্ষা অনুসৰিও বিজেপি মিত্ৰজোটে ৩৫৩ ৰ পৰা ৩৬৮ খন আসন লাভ কৰিব আৰু কংগ্ৰেছ মিত্ৰজোটে ১১৮ ৰ পৰা ১৩৩ খন আসন লাভ কৰাৰ সম্ভাৱনা আছে। কৰ্ণাটকত টাইমছ্ নাও নৱভাৰতৰ সমীক্ষা অনুসৰি কংগ্ৰেছে ৫ খন, বিজেপিয়ে ২৩ খন আসন লাভ কৰিব।

ooooo

অহা ৪ জুনত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে ৰাজ্যৰ জিলা প্ৰশাসনসমূহৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। ৰাজ্যৰ ৫০ খন জিলাৰ নিৰ্বাচনী জিলাত স্থাপিত ৫২টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটগণনাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ত ভোটগণনাৰ বাবে কোঠাসমূহ সাজু কৰি তোলা হৈছে। সমান্তৰালভাৱে গণনাৰ দায়িত্বত থাকিবলগীয়া সকলোৰে প্ৰশিক্ষণ অব্যাহত আছে। বৰপেটা জিলা নিৰ্বাচনী বিষয়াই জনোৱা অনুসৰি মাধৱ চৌধুৰী মহাবিদ্যালয়ত বৰপেটা লোকসভা সমষ্টিৰ অন্তৰ্গত দুটা বিধানসভা সমষ্টি ক্ৰমে- বৰপেটা আৰু পাকাবেতবাৰীৰ উপৰি বৰপেটা নিৰ্বাচনী জিলাৰ অন্তৰ্ভুক্ত হোৱা হেতু ধুবুৰী লোকসভা সমষ্টিৰ চেঙা আৰু মন্দিয়াৰো ভোটগণনা অনুষ্ঠিত হ'ব। তদুপৰি বৰপেটা লোকসভা সমষ্টিৰ প'ষ্টেল ভোটৰ গণনাও ইয়াতে সম্পন্ন হ'ব। ইপিনে ৪ জুনৰ পুৱা ৮ বজাৰ পৰা বঙাইগাঁও মহাবিদ্যালয়ৰ মুঠ ১৪ খন মেজত ১৬টা দফাত গণনা কাৰ্য সম্পন্ন হ'ব।

চৰাইদেউ জিলাৰ সোণাৰি আৰু মাহমৰা দুয়োটা সমষ্টিৰ ভোটগণনা সোণাৰি মহাবিদ্যালয়ত অনুষ্ঠিত হ'ব। সোণাৰি সমষ্টিত ১৩টা আৰু মাহমৰা সমষ্টিত ১২টা ৰাউণ্ডত ভোটগণনা সম্পন্ন হ'ব।

লোকসভা নিৰ্বাচনৰ ভোটগণনাক কেন্দ্ৰ কৰি ওদালগুৰি জিলা প্ৰশাসনো সাজু হৈ উঠিছে। তিনিতৰপীয়া নিৰাপত্তা বেষ্টনীৰ মাজেৰে ওদালগুৰিৰ আয়ুক্তৰ কাৰ্যালয়ত এইবেলি জিলাখনৰ ৪টা সমষ্টিত ওদালগুৰি, মাজবাট, টংলা আৰু ভেৰগাঁৱৰ ভোটগণনা অনুষ্ঠিত হ'ব। একেদৰে মঙলদৈ মহাবিদ্যালয়ত দৰঙৰ তিনিটা সমষ্টি ক্ৰমে- মঙলদৈ, ছিপাঝাৰ আৰু দলগাঁৱৰ ভোটগণনা অনুষ্ঠিত হ'ব। ইফালে ৰঙিয়া মহকুমাৰ কাৰ্যালয়ত কমলপুৰ আৰু ৰঙিয়া সমষ্টিৰ, মুছলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত তামুলপুৰ আৰু গোৰেশ্বৰ সমষ্টিৰ ভোটগণনা কৰা হ'ব। মুঠ ১১টা সমষ্টিৰ পোষ্টেল ভোটসমূহ ওদালগুৰি জিলা আয়ুক্তৰ কাৰ্যালয়ত গণনা কৰা হ'ব।

ভোটগণনাৰ বাবে গোৱালপাৰা জিলা প্ৰশাসনেও যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। জিলাখন ৪টা বিধানসভা সমষ্টিৰ ভোটগণনা গোৱালপাৰা জিলা আয়ুক্ত কাৰ্যালয়ৰ চৌহদত হোৱা বহুমুখী প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব বুলি প্ৰশাসনে প্ৰকাশ কৰিছে। কৰিমগঞ্জ জিলাতো এই উপলক্ষে গণনা পৰ্যবেক্ষক আজি জিলাখনত উপস্থিত হৈছে। শান্তিপূৰ্ণভাৱে ভোটগণনা সম্পন্ন কৰাৰ বাবে কোকৰাঝাৰ জিলা প্ৰশাসনেও যাৱতীয় প্ৰস্তুতি অব্যাহত ৰাখিছে। আনহাতে গোলাঘাট জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি ১০ নম্বৰ কাজিৰঙা সমষ্টিৰ ভোটগণনা প্ৰক্ৰিয়া সন্দৰ্ভত এখন সভা অনুষ্ঠিত হয়। এই সভাত আয়ুক্তগৰাকীয়ে ভোটগণনা চলি থকাৰ সময়ত পালন কৰিবলগীয়া আচৰণবিধিসমূহৰ বিষয়ে উল্লেখ কৰি দায়িত্বত থকা লোকসকলক এইসমূহ নিয়াৰিকৈ পালন কৰিবলৈ আহ্বান জনায়।

ইফালে ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে ভোটগণনাৰ বাবে মুঠ ৫ হাজাৰ ৮২৩ গৰাকী বিষয়া-কৰ্মচাৰীক নিয়োগ কৰা বুলি প্ৰকাশ কৰিছে। আনহাতে ভোটগণনা স্বচ্ছ পদ্ধতিৰে সম্পন্ন কৰাটো নিশ্চিত কৰাৰ উদ্দেশ্যে নিৰ্বাচনী আয়োগে ৬৪ গৰাকী সাধাৰণ পৰ্যবেক্ষক নিযুক্তি দিয়া বুলিও তেওঁ উল্লেখ কৰে।

অহা ৪ জুনত হ'বলগীয়া ভোটগণনাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ জিলা প্ৰশাসনসমূহে **ড্ৰাই ডে** ঘোষণা কৰিছে। সেই সময়ছোৱাত সকলো ধৰণৰ নিচাযুক্ত দ্ৰব্যৰ সেৱন, বিক্ৰী, মজুতকৰণ আদি ক্ষেত্ৰত ভাৰতীয় দণ্ডবিধি ১৪৪ ধাৰাৰ অধীনত নিষেধাজ্ঞা জাৰি কৰা হৈছে।

ooooo

কাইলৈ হ'বলগীয়া অৰুণাচল প্ৰদেশ আৰু ছিকিম বিধানসভা নিৰ্বাচনৰ ভোট গণনাৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। এই দুয়োখন ৰাজ্যৰ বিধানসভাৰ কাৰ্যকালৰ কাইলৈ অৰ্থাৎ ২ জুনত অন্ত পৰিব।

উত্তৰ-পূৰ্বাঞ্চলৰ এই দুয়োখন ৰাজ্যৰ বিধানসভা আৰু লোকসভা নিৰ্বাচন যোৱা ১৯ এপ্ৰিলত অনুষ্ঠিত হৈছিল। কাইলৈ বিধানসভা নিৰ্বাচনৰ ভোটগণনা হোৱাৰ বিপৰীতে ৰাজ্য দুখনৰ লোকসভা আসনৰ ভোটগণনা অহা ৪ জুনত দেশৰ আন আন ৰাজ্যৰ সৈতে একেলগে কৰা হ'ব।

কাইলৈ পুৱা ৬ বজাৰ পৰা ভোটগণনা আৰম্ভ হ'ব। প্ৰথমে পোষ্টেল বেলট আৰু ইলেকট্ৰনিকভাৱে প্ৰেৰণ কৰা বেলটৰ ভোটগণনা কৰা হ'ব। ইয়াৰ পাছত চাৰে ছয় বজাৰ পৰা ই ভি এমৰ ভোটগণনা আৰম্ভ হ'ব। অৰুণাচল প্ৰদেশত এই উদ্দেশ্যে ২৪টা ভোট গণনা কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু দুহেজাৰৰো অধিক নিৰ্বাচনী বিষয়া গণনা প্ৰক্ৰিয়াত জড়িত হ'ব বুলি আমাৰ সংবাদদাতাই জনাইছে। ভোটগণনা উপলক্ষে কাইলৈ আৰু ৪ জুনত ৰাজ্যখন **ড্ৰাই ডে** ঘোষণা কৰা হৈছে। উল্লেখযোগ্য যে, অৰুণাচল প্ৰদেশত ৬০ খন বিধানসভা আসন আছে

আৰু বিজেপিয়ে ইতিমধ্যে বিনা প্ৰতিদ্বন্দ্বিতাৰে ১০ খন আসনত জয়লাভ কৰিছে। আনফালে ছিকিমত ৩২খন বিধানসভা আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হৈছে।

ooooo

মানস ৰাষ্ট্ৰীয় উদ্যানত চলিত পৰ্যটন বৰ্ষৰ বাবে জীপ চাফাৰীৰ সময়সীমা ২০ জুনলৈ বৃদ্ধি কৰা হৈছে। উদ্যানখনৰ বাঁহবাৰী বন সংমণ্ডল বিষয়াই প্ৰকাশ কৰা মতে, এই সন্দৰ্ভত আজি জাননী জাৰি কৰা হৈছে। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে পৰ্যটকৰ বাবে ৰাষ্ট্ৰীয় উদ্যানখনৰ প্ৰবেশদ্বাৰ ৫ জুনত বন্ধ কৰা হ'ব বুলি জাননী দিয়া হৈছিল। বাৰিষাৰ পৰিপ্ৰেক্ষিতত এই সিদ্ধান্ত লোৱা হৈছিল যদিও পৰ্যটকৰ আগমন অব্যাহত থকাৰ লগতে বাট-পথ সূচল হৈ থকালৈ লক্ষ্য ৰাখি জীপ চাফাৰীৰ সুবিধা ২০ জুনলৈ বৃদ্ধি কৰা হৈছে। অৱশ্যে বাঁহবাৰী ৰেঞ্জৰ প্ৰৱেশদ্বাৰৰ পৰা মথনগুৰিলৈ মূল পথটোতহে জীপ চাফাৰীৰ ব্যৱস্থা থাকিব।

ooooo

ৰীমালৰ প্ৰভাৱত সৃষ্টি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ ১১খন জিলা বানৰ কবলত পৰিছে। বৰাক, কপিলী, কুশিয়াৰা আৰু কাটাখালকে ধৰি কেইবাখনো নৈৰ জলস্তৰ বিপদসীমাৰ ওপৰেৰে বৈ আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি হাইলাকান্দি, হোজাই, গোলাঘাট, নগাঁও, ধেমাজি, ডিব্ৰুগড়, কৰিমগঞ্জ, কাছাৰ, কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাৰ মুঠ ২৫টা ৰাজহ চক্ৰৰ অধীনস্থ ৫৬০ খন গাঁও বানত প্লাৱিত হৈছে। এই পৰ্যন্ত ৰাজ্যৰ মুঠ ৩ লাখ ৪৯ হাজাৰ ৪৫ গৰাকী লোক বানত ক্ষতিগ্ৰস্ত হৈছে। বানৰ ফলত ৰাজ্যখনত ৮ জন ব্যক্তিৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। ইফালে আটাইকেইখন জিলাতে মুঠ ১৪৮টা সাহায্য শিবিৰ আৰু ৩৯টা বান সাহায্য বিতৰণ কেন্দ্ৰ স্থাপন কৰা হৈছে। আনহাতে বানত এই পৰ্যন্ত উল্লেখিত ১১খন জিলাৰ ১০ লাখ ২৩ হাজাৰ ৬৩টা পশুধনৰ ক্ষতি হোৱাৰ উপৰি মুঠ প্ৰায় ৪ হাজাৰ ৯৩১ হেক্টৰ কৃষিভূমি বানৰ কবলত পৰিছে।

বৰাক উপত্যকাৰ বান ক্ষতিগ্ৰস্ত অঞ্চলত সাহায্য আৰু উদ্ধাৰ অভিযানৰ বাবে ৰাষ্ট্ৰীয় দুৰ্যোগ সহাৰি বাহিনী চমুকৈ এন ডি আৰ এফৰ এটা অতিৰিক্ত দল প্ৰেৰণ কৰা হৈছে। দলটো গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বিমান বন্দৰৰ পৰা শিলচৰ বিমান বন্দৰত উপস্থিত হয়গৈ। উপত্যকাটোত আকস্মিক বানৰ ফলত হোৱা ক্ষয় ক্ষতি ৰোধ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে এনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ইতিমধ্যে বৰাক উপত্যকাৰ তিনিওখন জিলাতে বান ক্ষতিগ্ৰস্তসকলৰ সহায়ৰ বাবে প্ৰশাসনে ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে এন ডি আৰ এফ আৰু এছ্ ডি আৰ এফে উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত ৰাখিছে। কৰিমগঞ্জ জিলাৰ বদৰপুৰ অঞ্চল বৰাক নৈৰ বানে বুৰাই পেলাইছে। জগন্নাথপুৰত ২ শতাধিক লোক মালোৱা পাৱলিক স্কুলত স্থাপন কৰা আশ্ৰয় শিবিৰত আশ্ৰয় লৈ আছে। প্ৰতিকূল বতৰৰ প্ৰতি লক্ষ্য ৰাখি আজিও জিলাখনৰ প্ৰশাসনে সকলো শিক্ষানুষ্ঠান বন্ধ ৰখাৰ নিৰ্দেশ দিয়ে। নগাঁও জিলাত কপিলী নৈৰ পানী বিপদসীমাৰ ওপৰেৰে বৈ থকাৰ লগতে কলঙৰ জলস্তৰো বৃদ্ধি পাইছে।

ইফালে, তিনিচুকীয়া জিলাত বিগত কিছুদিন ধৰি হোৱা ধাৰাষাৰ বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰ আৰু ডিব্ৰু নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত নৈপৰীয়া ৰাইজ শংকিত হৈ পৰিছে। নদিহিং নৈৰ পানীও বাঢ়ি আছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। জিলাখনৰ প্ৰশাসনে সম্ভাব্য বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ বাবে কাৰ্যকৰী ব্যৱস্থা লৈছে।

০০০০০

গুৱাহাটী মহানগৰ আৰক্ষীয়ে আজি অভিযান চলাই ফাঁচীবজাৰ আৰু লাখটকীয়াৰ পৰা নিচাযুক্ত দ্ৰব্যসহ দুটা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। লোক দুজনৰ পৰা হেৰোইন জব্দ কৰা হৈছে। ইপিনে, গোলাঘাট আৰক্ষীয়ে কাৰ্বি আংলং আৰক্ষীৰ সহযোগত আজি নুমলিগড় অঞ্চলৰ দৈগ্ৰঙৰ পৰা এটা আন্তৰাষ্ট্ৰীয় মাদক দ্ৰব্য সৰবৰাহকাৰী চক্ৰ উৎখাত কৰে। গোপন সূত্ৰৰ পম খেদি আৰক্ষীয়ে ৭০ টা চাবোনৰ বাকচত লুকুৱাই অনা ৮৫০ গ্ৰামৰো অধিক হেৰোইন জব্দ কৰিছে। জব্দ কৰা হেৰোইনখিনিৰ মূল্য প্ৰায় ২ কোটি টকা বুলি জানিব পৰা গৈছে।

হাইলাকান্দি আৰক্ষী আৰু চি আৰ পি এফে যুটীয়াভাৱে অভিযান চলাই জিলাখনৰ লালা আৰক্ষী চকীৰ অন্তৰ্গত চাহাবাদ গাওঁৰ পৰা এটা মাদক দ্ৰব্য সৰবৰাহকাৰীক আটক কৰাৰ লগতে বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰে। এই মাদক দ্ৰব্যৰ বজাৰ মূল্য কমেও ৫ লাখ টকা হ'ব বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। আৰক্ষীয়ে মাদক দ্ৰব্য সৰবৰাহকাৰীটোক সোধা পোচা অব্যাহত ৰাখিছে।

০০০০০

উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ নামভৰ্তিৰ বাবে অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে আজিৰ পৰা পুনৰ দৰ্পন পোৰ্টেল মুকলি কৰিছে। অহা ৯ জুনলৈ পোৰ্টেলটো মুকলি থাকিব আৰু শিক্ষাৰ্থীসকলে যাৱতীয় তথ্যৰ বাবে www.ahsec.assam.gov.in বা darpan.ahseconline.in ৱেবছাইট চাব পাৰিব। লগতে শিক্ষা সংসদে সকলো শিক্ষানুষ্ঠানক ১২ জুনৰ ভিতৰত নামভৰ্তি সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিছে। ০০০০০

০০০০০

তেল আৰু প্ৰাকৃতিক গেছ নিগম চমুকৈ অ এন জি চিৰ **অসম সম্পদ** থলুৱা বিৰোধী নীতিৰ বিৰুদ্ধে শিৱসাগৰ জিলাৰ কেইবাটাও দল-সংগঠনে প্ৰতিবাদী কাৰ্যসূচী ঘোষণা কৰিছে। শিৱসাগৰ প্ৰেছ ক্লাবত এই সন্দৰ্ভত এখন সংবাদমেলৰ আয়োজন কৰি আজি সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থা, উজনি অসম মুছলীম কল্যাণ পৰিষদ, সদৌ অসম মৰিয়া ছাত্ৰ সন্থা, সদৌ টাই আহোম ছাত্ৰ সন্থা, অসম ছাত্ৰ যুৱ সন্মিলন, সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদ আদিকে ধৰি কেইবাটাও সংগঠনে বহিৰাগত লবীৰ ষড়যন্ত্ৰৰ ফলত অ এন জি চিৰ **অসম সম্পদ**ক শিৱসাগৰৰ পৰা স্থানান্তৰিত কৰাৰ প্ৰক্ৰিয়া চলিছে বুলি অভিযোগ উত্থাপন কৰে। ইতিমধ্যে অ এন জি চিৰ **অসম সম্পদ**ৰ পৰা ৰসায়ন, ভূ-তত্ব আদি বিভাগসমূহ স্থানান্তৰিত কৰা কাৰ্যই এই অভিযোগত সত্যতা প্ৰমাণ কৰে বুলিও দল-সংগঠনসমূহে দাবী কৰে।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে গঠিত সমিতিৰ সদস্যসকলৰ এটা প্ৰতিনিধি দলে ৰাজ্যৰ বিভিন্ন ঠাইৰ শিশু গৃহ পৰিদৰ্শন কৰি শিশু সুৰক্ষা আৰু নিৰাপত্তাৰ বিভিন্ন দিশ পৰ্যালোচনা কৰি বিশেষ প্ৰতিবেদন প্ৰস্তুত কৰিছে। সমিতিৰ সদস্য ববিতা শইকীয়া, সুনন্দা দাস আৰু সুবোধ দাসে আজি গোৱালপাৰা জিলাৰ জি ভি এছ শিশু গৃহ পৰ্যবেক্ষণ কৰে। তদুপৰি তেওঁলোকে কালি মানকাচৰ জিলাৰ ৰেজা শিশু গৃহ আৰু এটা বিশেষ দত্তক প্ৰতিষ্ঠান পৰিদৰ্শন কৰে। তেওঁলোকে শিশু গৃহৰ শিশুসকলৰ অৱস্থাৰ বুজ লোৱাৰ লগতে শিশু ন্যায় আৰু সুৰক্ষা আইন ২০১৫ৰ শুদ্ধ আৰু সম্পূৰ্ণ ৰূপায়নৰ সন্দৰ্ভতো বুজ লয়। পৰিদৰ্শনকালত প্ৰতিনিধি দলটোৱে শিশুসকলৰ

সুৰক্ষা আৰু নিৰাপত্তাৰ বিষয়ে শিশু গৃহৰ কৰ্মচাৰী আৰু পৰিচালনা সমিতিৰ সদস্যসকলৰ লগত গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়।

০০০০০

উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আজি ভাৰতীয় ন্যায় সংহিতা আৰু ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা-২০২৩ বিষয়ক এখন সজাগতা সভা অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ শিক্ষক মণ্ডলী আৰু জিলা আৰক্ষী প্ৰশাসনৰ সহযোগত সম্পন্ন হোৱা এই সভাত মাজুলী জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক বিতুল চেতিয়া মুখ্য বক্তা হিচাপে উপস্থিত থাকে।

০০০০০

ৰাজ্যিক পৰিবহন কৰ্মচাৰী সন্থাৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক অতুল চন্দ্ৰ শইকীয়াৰ ৪২ সংখ্যক মৃত্যু বাৰ্ষিকী আজি সন্থাৰ গুৱাহাটীৰ মুখ্য কাৰ্যালয়ত পালন কৰা হয়। শ্ৰমিক নেতা তথা প্ৰাক্তন বিধায়ক প্ৰয়াত শইকীয়াৰ মৃত্যু বাৰ্ষিকী উপলক্ষে তেওঁৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন কৰাৰ লগতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰো আয়োজন কৰা হয়।

০০০০০

মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ত সপ্তম প্ৰতিষ্ঠা দিৱস আজি উদ্‌যাপন কৰা হয়। এই অনুষ্ঠানত মাজুলী, কিছু অনালোচিত দিশ শীৰ্ষক বিষয়ত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য্য তথা ইতিহাসবিদ ড° ডম্বৰুধৰ নাথে বক্তৃতা দিয়ে। এই অনুষ্ঠানত  বিশ্ববিদ্যালয়খনৰ শীৰ্ষ গীতটি উন্মোচন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ অধ্যাপক জাহ্নবী গগৈয়ে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি  নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত **নতুন ফৌজদাৰী আইন** সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অধিবক্তা নিকুঞ্জ দেৱ শৰ্মা আৰু অপৰাধ অনুসন্ধান শাখাৰ বিশেষ আৰক্ষী অধীক্ষক প্ৰণৱজ্যোতি গোস্বামী অতিথি হিচাপে উপস্থিত থাকিব। আগ্ৰহী শ্ৰোতাই অনুষ্ঠান চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ অথবা ২৬৬২৩২৫ নম্বৰত ফোন কৰি অতিথিৰ সৈতে কথা পাতিব পাৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব মানসপ্ৰতীম শৰ্মাই।

০০০০০

ভাৰত আজি নিউয়ৰ্কৰ নাছাউ কাউণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত টি-২০ বিশ্বকাপ প্ৰতিযোগিতাৰ প্ৰস্তুতি খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব। উল্লেখযোগ্য যে ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় ক্ৰিকেট দলে অহা ৫ জুনত নিউয়ৰ্কতে আয়াৰলেণ্ডৰ বিৰুদ্ধে খেলি বিশ্বকাপত অভিযান আৰম্ভ কৰিব। আনহাতে অহা ৯ জুনত ভাৰতে পাকিস্তানৰ বিৰুদ্ধে তথা ১২ জুনত আমেৰিকা আৰু ১৫ জুনত কানাডাৰ বিৰুদ্ধে গ্ৰুপ-এৰ খেলত অংশ ল'ব।

০০০০০

সমাপ্ত